# অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাস
# Assam Jatiya Bidyalay Educational and Socio-Economic Trust
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020, Assam
☎: 0361-2654229


তাৰিখ : ০৩-০২-২০১৮

সমীপেষু,
প্ৰধান শিক্ষক/শিক্ষয়িত্ৰী/কিতাপ বিক্ৰেতা
মহাশয়/মহাশয়া,

নমস্কাৰ ল'ব। অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত কিতাপসমূহ বিতৰণৰ ক্ষেত্ৰত নিম্নলিখিত কথাখিনি পুনৰ আপোনালোকৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল :

১। ২০১৯ শিক্ষাবৰ্ষৰ বাবে প্ৰয়োজনীয় কিতাপৰ নাম আৰু সংখ্যা উল্লেখ কৰি আগধনসহ একোখন ফৰমাচ-পত্ৰ অহা ১৫/০২/২০১৮ তাৰিখৰ ভিতৰত এজবেকৰ কাৰ্যালয়ত পোৱাকৈ জমা দিব লাগিব।

২। বিদ্যালয়/কিতাপৰ দোকানবোৰে প্ৰয়োজনীয় কিতাপৰ সঠিক সংখ্যা জনাব লাগিব। **প্ৰথম পৰ্যায়ত এই সংখ্যা অনুসৰিহে কিতাপ দিয়া হ'ব।**

৩। কাৰ্যালয়ত ফৰমাচ-পত্ৰ জমা দিয়াৰ সময়ত একোটা ট'কেন নম্বৰ দিয়া হ'ব। কিতাপ নিয়াৰ সময়ত উক্ত ট'কেন নম্বৰ কাৰ্যালয়ত জনাব লাগিব।

৪। কাৰ্যালয়ত ফৰমাচ-পত্ৰ জমা দিয়াৰ সময়ত বিদ্যালয়ৰপৰা কিতাপ নিয়াৰ তাৰিখ জনোৱা হ'ব। উক্ত তাৰিখত কিতাপ সংগ্ৰহ কৰিব লাগিব।

৫। প্ৰয়োজনীয় কিতাপৰ বাবদ হ'ব লগা মুঠ মূল্যৰ শতকৰা ২০ ভাগ, আগধন হিচাপে ফৰমাচ-পত্ৰ দিয়াৰ সময়তেই এজবেক কাৰ্যালয়ত জমা দিব লাগিব। একাধিক পৰ্যায়ত কিতাপ সংগ্ৰহ কৰিলে প্ৰতিটো পৰ্যায়ত সংগ্ৰহ কৰা কিতাপৰ মুঠ মূল্যৰ শতকৰা ২০ ভাগ, পূৰ্বে জমা দিয়া আগধনৰ পৰা মিলাই দিয়া হ'ব। **(সিপিঠিত এটা উদাহৰণ দেখুওৱা হৈছে।)**

৬। আগধন বেংক ড্ৰাফট্ কৰি পঞ্জীভূত ডাকযোগেও পঠাব পাৰিব। চেক গ্ৰহণ কৰা নহ'ব। ইয়াৰ লগতে ফৰমাচ-পত্ৰখনো পঠাব লাগিব। এইদৰে পঠালে টেলিফ'নযোগেও ট'কেন নম্বৰ সংগ্ৰহ কৰিব পাৰিব। এইক্ষেত্ৰত প্ৰাপ্তিস্বীকাৰ পঠোৱা হ'ব। কিন্তু ডাক বিভাগৰ খেলিমেলিত চিঠি-পত্ৰ হেৰালে তাৰ দায়িত্ব এজবেকে নলয়। পিনক'ডসহ সম্পূৰ্ণ ঠিকনা নপঠিয়ালে প্ৰাপ্তিস্বীকাৰ পঠোৱা নহ'ব।

৭। বেংক ড্ৰাফ্টসমূহ "ASSAM JATIYA BIDYALAY EDUCATIONAL AND SOCIO-ECONOMIC TRUST" এই নামত কৰিব লাগিব।

৮। কেৱল বেংক ড্ৰাফট্ যোগেহে কিতাপৰ মূল্য গ্ৰহণ কৰা হ'ব।

৯। সৰ্বমুঠ দুই লাখ টকালৈকেহে নগদ টকা আদায় লোৱা হ'ব।

১০। RTGS যোগে কিতাপৰ মূল্য গ্ৰহণ কৰা নহয়।

১১। আগধন জমা দিয়া বিদ্যালয়/কিতাপ বিক্ৰেতাসকলকহে কিতাপ বিতৰণ কৰা হ'ব। আগধন নিদিয়া বিদ্যালয়/ দোকানক ডিছেম্বৰ মাহত কিতাপ দিব পৰা নহ'ব।

১২। ২ ডিছেম্বৰৰ পৰা (২০১৮ চন) কিতাপ বিতৰণ কৰা হ'ব।
* কিতাপ বিতৰণৰ সময়সূচী ১/১২/২০১৮ তাৰিখে www.assamjatiyabidyalay.com ৱেবছাইটত প্ৰকাশ কৰা হ'ব।
এইক্ষেত্ৰত কোনো বাতৰি কাকতত বিজ্ঞাপন দিয়া নহয়। ডাকযোগে চিঠিও পঠোৱা নহ'ব।

১৩। কিতাপৰ মূল্যৰ সালসলনি হ'লে, সংশোধিত ছপা মূল্যৰ ওপৰত ভিত্তি কৰি কিতাপ নিয়াৰ সময়ত সম্পূৰ্ণ ধন আদায় লোৱা হ'ব।

১৪। ট'কেন নম্বৰ অনুসৰি কিতাপ নিনিলে পিছত কিতাপৰ নাটনি হ'লে অসম জাতীয় বিদ্যালয় ন্যাস কৰ্তৃপক্ষই দায়িত্ব নলয়।

১৫। কিতাপ নিয়াৰ সময়ত কিতাপসমূহ প্ৰত্যেকেই হিচাপ কৰি নিয়াটো বাঞ্ছনীয়। পিছত কম-বেছি হোৱাৰ অভিযোগ গ্ৰহণ কৰা নহ'ব। সময়মতে ছাত্ৰ-ছাত্ৰীৰ হাতত কিতাপ তুলি দিয়াৰ উদ্দেশ্য আগত ৰাখি লোৱা এই পদক্ষেপৰ প্ৰতি সহযোগ আগবঢ়াবলৈ আপোনালোকক অনুৰোধ জনালোঁ।

১৬। বিদ্যালয় বা দোকানৰ নামত যিয়ে আগধন দিয়ে তেওঁলোকে নিজৰ নামতহে আগধন জমা আৰু কিতাপ নিব পাৰিব। বেলেগৰ নামত বেলেগে কিতাপ নিব নোৱাৰিব আৰু নিজৰ চীল আৰু পেড ব্যৱহাৰ কৰিব। কিতাপ সংগ্ৰহ কৰা ব্যক্তিয়ে বিদ্যালয় কৰ্তৃপক্ষ বা দোকান কৰ্তৃপক্ষৰ পৰা কৰ্তৃত্বৰ প্ৰমাণ-পত্ৰ আৰু ফ'টো পৰিচয়-পত্ৰ আনিব লাগিব।

১৭। কিতাপ বিতৰণ সম্পৰ্কত জ্যেষ্ঠ কাৰ্যালয় সহায়কৰ সৈতে কাৰ্যালয়ৰ সময়ত (১০ বজাৰ পৰা ৩ বজালৈ) ৯৭০৬০-২৫১৬৪ নম্বৰত যোগাযোগ কৰিব পাৰিব।

**পাঠ্যপুথি সম্পৰ্কীয় শৈক্ষিক আলোচনাৰ বাবে যোগাযোগৰ নম্বৰ :**

| | | | |
|---|---|---|---|
| ঘনশ্যাম মেধি, অধ্যক্ষ | ৯৭০৬০-২৫১৬৭ | নিশা দেৱী, ইংৰাজী | ৯৮৬৫০-৮৮৫০৫ |
| সোণালী গগৈ, সমাজ বিজ্ঞান | ৯৬৭৮৭-৪১২৬৮ | নন্দিতা গোস্বামী, হিন্দী | ৯৭০৭৮-২৯৭১৬ |
| পংকজ দত্ত, বিজ্ঞান | ৯৮৬৫০-৩৯৯৪৫ | ৰঘুনাথ কুমাৰ, সহ-পাঠ্যক্ৰম | ৮৪৮৬০-২৫১৭২ |
| ৰবীন্দ্ৰ বৰ্মন, গণিত | ৯৮৬৪৯-১২২৭৯ | কুঞ্জৰ দাস, শিল্পকলা | ৯৪৩৫০-১৯০৬৯ |
| কবিতা পাটগিৰি, অসমীয়া | ৯৪৩৫৫-৬৮৭০৯ | জিৰি বৰ্মন, কম্পিউটাৰ বিজ্ঞান | ৮৮৭৬০-৩৮৪১০ |

(ডাঃ নাৰায়ণ শৰ্মা)
অবৈতনিক সচিব, অজাবি শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাস

প্ৰয়োজনীয় কিতাপৰ বাবদ হ'ব লগা মুঠ মূল্যৰ শতকৰা ২০ ভাগ, আগধন হিচাপে ফৰমাচ-পত্ৰ দিয়াৰ সময়তেই এজবেক কাৰ্যালয়ত জমা দিব লাগিব। একাধিক পৰ্যায়ত কিতাপ সংগ্ৰহ কৰিলে প্ৰতিটো পৰ্যায়ত সংগ্ৰহ কৰা কিতাপৰ মুঠ মূল্যৰ শতকৰা ২০ ভাগ পূৰ্বে জমা দিয়া আগধনৰ পৰা মিলাই দিয়া হ'ব।

**উদাহৰণ : ধৰা হ'ল,**

| | | |
|---|---|---|
| ফৰমাচ-পত্ৰত উল্লিখিত প্ৰয়োজনীয় কিতাপৰ মুঠ মূল্য | = | ১,০০,০০০ টকা। |
| ফৰমাচ-পত্ৰ জমা দিয়াৰ সময়ত জমা দিবলগীয়া আগধন | = | ১,০০,০০০ টকাৰ ২০ শতাংশ। |
| | = | ২০,০০০ টকা। |

**কিতাপ সংগ্ৰহৰ সময়ত,**

| | | |
|---|---|---|
| প্ৰথম পৰ্যায়ত সংগ্ৰহ কৰা কিতাপৰ মুঠ মূল্য (ধৰা হ'ল) | = | ৫০,০০০ টকা। |
| পূৰ্বে জমা দিয়া আগধনৰ পৰা মিলোৱা হ'ব | = | ৫০,০০০ টকাৰ ২০ শতাংশ। |
| | = | ১০,০০০ টকা। |
| সিদিনা আদায় দিবলগীয়া মূল্য | = | ৫০,০০০-১০,০০০=৪০,০০০ টকা। |
| দ্বিতীয় পৰ্যায়ত সংগ্ৰহ কৰা কিতাপৰ মূল্য (ধৰা হ'ল) | = | ৩০,০০০ টকা। |
| আগধনৰ পৰা মিলোৱা হ'ব | = | ৩০,০০০ টকাৰ ২০ শতাংশ। |
| | = | ৬,০০০ টকা। |
| সিদিনা আদায় দিবলগীয়া মূল্য | = | ৩০,০০০-৬,০০০=২৪,০০০ টকা। |
| তৃতীয় পৰ্যায়ত সংগ্ৰহ কৰা কিতাপৰ মূল্য | = | ২০,০০০ টকা। |
| আগধনৰ পৰা মিলোৱা হ'ব | = | ২০,০০০ টকাৰ ২০ শতাংশ। |
| | = | ৪,০০০ টকা। |
| সিদিনা আদায় দিবলগীয়া মূল্য | = | ২০,০০০-৪,০০০=১৬,০০০ টকা। |